**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-07-2026** **Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তিনিখন ৰাষ্ট্ৰ ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি নিউজিলেণ্ডত উপস্থিত হৈছে।

২। অসম বিধানসভাত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰা হয়।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ওমানৰ বৈদেশিক মন্ত্ৰীক সাক্ষাৎ কৰি দুয়োখন দেশৰ সহযোগিতাৰ দিশ সম্পৰ্কে আলোচনাত মিলিত হয়।

৪। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ অগ্ৰগতি পৰ্যালোচনাৰ বৈঠকত সভাপতিত্ব কৰে।

আৰু

৫। স্পেইন আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তিনিখন ৰাষ্ট্ৰ ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত দুদিনীয়া কাৰ্যসূচীৰে আজি নিউজিলেণ্ডত উপস্থিত হৈছে। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনে অকলেণ্ডত শ্ৰীমোদীক আদৰণি জনায়। দুয়োখন দেশৰ সশস্ত্ৰ বাহিনীৰ প্ৰতিনিধিসকলৰ উপস্থিতিত শ্ৰীমোদীক বিমান বন্দৰত আদৰণি জনোৱা হয়। যোৱা চাৰিটা দশকৰ ভিতৰত দেশখনত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এয়া প্ৰথম ভ্ৰমণ। নিউজিলেণ্ডত থকা ভাৰতীয়সকলে ত্ৰিৰংগা জোকাৰি **কিয়া অ'ৰা মোদী** ধ্বনি দি প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনাবৰ বাবে বিমান বন্দৰত উপস্থিত হয়। এই ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে দেশ দুখনৰ মাজত ক্ৰমবৰ্ধমান অংশীদাৰিত্বক প্ৰতিফলিত কৰি বাণিজ্য, বিনিয়োগ, শিক্ষা, প্ৰযুক্তি আৰু জনসাধাৰণৰ সম্পৰ্কত সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০০

অসম বিধানসভাত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষত এক লাখ ৫৬ হাজাৰ কোটিৰো অধিক ব্যয়ৰ প্ৰস্তাৱেৰে পূৰ্ণাংগ বাজেট দাখিল কৰা হয়। ৰাজ্যৰ বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজিৰ এই বাজেট দাখিল কৰে। এই বাজেটত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৩ শতাংশৰ ভিতৰত বিত্তীয় ঘাটি সীমাবদ্ধ ৰখাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ২০২৬ -২৭ বৰ্ষৰ বাজেটত চৰকাৰে সঞ্চিত পুঁজিৰ পৰা মুঠ ১ লাখ ৫৬ হাজাৰ ৭১৪ দশমিক ৮-৮ কোটি টকাৰ ব্যয় ধাৰ্য কৰিছে। ইয়াৰ ভিতৰত ৰাজহ শিতানত ১ লাখ ১৮ হাজাৰ ৫৬২ দশমিক ২-৩ কোটি টকা মুলধনী শিতানত ৩৮ হাজাৰ ১৫২ দশমিক ৬-৫ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

বাজেটত ১৮ খন ধবজাবাহী আঁচনিৰে সুৰক্ষিত, সমৃদ্ধ, বিকশিত অসম গঢ়ি তোলাৰ যাত্ৰাত অসমক পথ নিৰ্দেশনা প্ৰদান কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ পৰিকল্পিত ধাৰণাৰ **অষ্টাদশ মুকুতাৰ উন্নয়নী মালা** উপস্থাপন

কৰা বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। অনাগত পাঁচ বছৰত ৰাজ্যখনৰ ৰাজহুৱা খণ্ডত দুই লাখ নিযুক্তি প্ৰদানৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি মন্ত্ৰী শ্ৰীমল্লবৰুৱাই প্ৰকাশ কৰে।

বিধানসভা নিৰ্বাচনৰ সময়ত নিয়মীয়া বাজেট উপস্থাপন কৰিব নোৱৰাৰ বাবে বন্ধ হৈ থকা চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ সুবিধা অহা মাহৰ পৰা পুনৰ আৰম্ভ কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰে ভিতৰত অৰুণোদয় আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধি পেঞ্চন আঁচনিৰ ধন প্ৰদান কৰিব। একেদৰে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ ধাৰাবাহিকতা, নিবনুৱা স্নাতকসকলক কৰ্মসংস্থাপন নোপোৱা পৰ্যন্ত **জীৱন প্ৰেৰণা** আঁচনিৰ অধীনত মাহেকীয়া আৰ্থিক সাহায্য প্ৰদান আদি জনকল্যানমূলক পদক্ষেপ ৰূপায়ণৰ সিদ্ধান্ত লোৱা হৈছে। ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে নিযুত মইনা আঁচনিৰ অধীনত অক্টোবৰৰ পৰা ধন হস্তান্তৰ কৰা হ'ব লগতে **নিযুত বাবুক** নিয়মীয়া চৰকাৰী আঁচনি হিচাপে গঢ়ি তুলি এই আঁচনি দুখনৰ অধীনত চলিত বিত্তীয় বৰ্ষত ৫ কোটি ৩ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে বুলি বিত্তমন্ত্ৰীয়ে উল্লেখ কৰে।

এইবাৰ বাজেটত মুলধনী ব্যয় ৩৮ হাজাৰ ১৫২ কোটি ৬৫ লাখ টকা নিৰ্ধাৰণ কৰা হৈছে। এই ব্যয়ৰ জৰিয়তে আন্তঃগাথনি সৃষ্টি আৰু দীৰ্ঘম্যাদি সম্পত্তি উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে।

বাইট-(জয়ন্তমল্ল বৰুৱা)

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি মাস্কাত ওমানৰ বৈদেশিক মন্ত্ৰী বদৰ বিন হামাদ আল বুছৈদিক সাক্ষাৎ কৰি দুয়োখন দেশৰ সহযোগিতাৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে এই আলোচনাত বাণিজ্য, বিনিয়োগ, সংযোগ, সামুদ্ৰিক, প্ৰযুক্তি, প্ৰতিৰক্ষা আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। উপসাগৰীয় অঞ্চলৰ উন্নয়ন, আৰু অঞ্চলটোত শান্তি আৰু স্থিতিশীলতা নিশ্চিত কৰাৰ প্ৰচেষ্টাৰ ওপৰতো দুয়োগৰাকী নেতাই মত বিনিময় কৰে। এই আলোচনাসমূহে ভাৰত আৰু ওমানৰ মাজত কৌশলগত অংশীদাৰিত্বৰ আস্থা আৰু শক্তিক প্ৰতিফলিত কৰে বুলি ড০ জয়শংকৰে মন্তব্য কৰে ।

০০০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে বহা তৃতীয়খন বৈঠকত সভাপতিত্ব কৰে। বৈঠকত উল্লেখ কৰা হয় যে আয়ুষ্মান ভাৰত ডিজিটেল অভিযান বিশ্বৰ অন্যতম বৃহৎ ডিজিটেল স্বাস্থ্য ব্যৱস্থা হিচাপে গঢ় লৈ উঠিছে। ইয়াৰ অধীনত প্ৰায় ৯৪ কোটি আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট খোলা হৈছে আৰু ১০৫ কোটি স্বাস্থ্য নথি সংযুক্ত কৰা হৈছে। ৫ লক্ষাধিক স্বাস্থ্য প্ৰতিষ্ঠান ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য পঞ্জীয়নত অন্তৰ্ভুক্ত হৈছে বুলিও আজিৰ বৈঠকত প্ৰকাশ কৰে। বৈঠকত ভাষণ দি শ্ৰীনাড্ডাই কয়, যে আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ অধীনত শক্তিশালী ডিজিটেল স্বাস্থ্য আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। ইয়াৰ পৰিৱৰ্তে দেশজুৰি ইয়াৰ গ্ৰহণযোগ্যতা আৰু ব্যৱহাৰ বৃদ্ধিত গুৰুত্ব দিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সামূহিক স্বাস্থ্য সেৱাৰ লক্ষ্য পুৰণৰ বাবে নতুন প্ৰযুক্তিয়ে শক্তিশালী সহায়ক হিচাপে কাম কৰি যাব লাগিব। লগতে প্ৰতিজন নাগৰিকৰ বাবে অন্তৰ্ভুক্তিমূলক, সহজলভ্য স্বাস্থ্য সেৱা নিশ্চিত কৰিব লাগিব। মন্ত্ৰী জে পি নাড্ডাই কয়, যে নতুন ডিজিটেল আন্তঃগাঁথনিয়ে উন্নত স্বাস্থ্যসেৱা, চিকিৎসাৰ ধাৰাবাহিকতা বৃদ্ধি আৰু জনসাধাৰণৰ সন্মতি ভিত্তিক স্বাস্থ্য নথিলৈ প্ৰৱেশাধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন

কৰিছে। বৈঠকত আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ ভৱিষ্যত কাৰ্যসূচীৰ সন্দৰ্ভতো আলোচনা কৰা হয়। তাৰ ভিতৰত ডিজিটেল স্বাস্থ্যসেৱাৰ ব্যৱহাৰ অধিক বিস্তাৰ কৰা, কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি উন্নত প্ৰযুক্তিৰ সৎ ব্যৱহাৰ, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে সহযোগিতা অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা আদি বিষয়সমূহৰ আলোচনা কৰা হয়।

ooooooooo

জল শক্তি মন্ত্ৰালয়ে জনাইছে যে ছত্তিশগড়ৰ বালোড জিলাই যোৱা বছৰত বৰষুণৰ পানী সংগ্ৰহৰ ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ২লাখ ৮৫হাজাৰ জল সংৰক্ষণৰ প্ৰকল্প নিৰ্মাণ কৰিছে। মন্ত্ৰালয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতৰ ১৩৫ সংখ্যক খণ্ডত বৰষুণৰ পানী ধৰি ৰাখিবলৈ জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই বালোড জিলাই দ্বিতীয় পৰ্যায়ৰ **জল সঞ্চয় জন ভাগিদাৰি** অভিযানৰ অধীনত পানী সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। গাওঁ পঞ্চায়ত, স্থানীয় সংস্থা আৰু জিলা প্ৰশাসনৰ সহযোগিতাৰে জিলাখনত বৰষুণৰ পানী সংগ্ৰহৰ বিভিন্ন ব্যৱস্থা ৰূপায়ন কৰা হৈছে। এই পদক্ষেপসমূহে বৰ্ষাকালত ইতিবাচক ফলাফল দেখুৱাবলৈ আৰম্ভ কৰিছে বুলিও আমাৰ সংবাদদাতাই জানিবলৈ দিছে। প্ৰথম পৰ্যায়ৰ **জল সঞ্চয় জন ভাগিদাৰি** অভিযানৰ অধীনত বালোড জিলাই ১ লাখতকৈ অধিক বৰষুণৰ পানী সংৰক্ষণ কৰিব পৰা বিভিন্ন প্ৰকল্প নিৰ্মাণ কৰিছিল। জিলাখনে দেশৰ ভিতৰত তৃতীয় স্থান আৰু পূব মণ্ডলত প্ৰথম স্থান লাভ কৰিছিল।

ooooooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় উৎপাদনশীলতা পৰিষদ, উদ্যোগ আৰু অভ্যন্তৰীণ বাণিজ্য উন্নয়ন বিভাগ আৰু বাণিজ্য বিভাগৰ বিষয়াসকলৰ সৈতে হোৱা পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীগোৱেলে কয়, যে এই আলোচনাত বিভাগসমূহৰ মাজত সমন্বয় অধিক শক্তিশালী কৰা, প্ৰতিষ্ঠানসমূহৰ সক্ষমতা বৃদ্ধি কৰা আৰু উৎপাদনশীলতা তথা সেৱা প্ৰদান মান উন্নত কৰিবলৈ আধুনিক পদ্ধতি গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সুশৃংখলিত, দক্ষ আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱা প্ৰশাসনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰো পৰ্যালোচনা কৰে।

ooooooooo

স্পেইন আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ফ্ৰান্সে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মৰক্কোক ২-০ গ'লত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধ গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত কিলিয়ন বাপ্পেই ৬০ মিনিটত আৰু উছমান ডেম্বেলেই ৬৬ মিনিটত গ'ল দি ফ্ৰান্সৰ বিজয় সুনিশ্চিত কৰে। ইয়াৰ লগে লগে বাপ্পেই ৩০ বছৰ বয়সৰ পূৰ্বে বিশ্বকাপত ২০টা গ'ল দিয়া প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। ফ্ৰান্স এইবাৰ একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। শনিবাৰে নিশা ন'বৰে ইংলেণ্ডৰ আৰু দেওবাৰে পুৱা যোৱাবাৰৰ চেম্পিয়ন আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ সন্মুখীন হ'ব।

ooooooooo

ঃঃ সমাপ্ত ঃঃ